**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। উপ-ৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণে বিকশিত ভাৰতৰ যাত্রা ভাৰতীয় প্রতিষ্ঠান, ক্ষুদ্র, লঘু আৰু মজলীয়া উদ্যোগ তথা ষ্টার্টআপৰ শক্তিৰে নির্মাণ কৰা হ'ব বুলি মন্তব্য কৰিছে।

২। স্বাধীনতা সংগ্রামী শ্যামজী কৃষ্ণ বার্মাৰ জন্মবার্ষিকী উপলক্ষে উপ-ৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণ আৰু প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে তেওঁৰ প্রতি শ্রদ্ধাঞ্জলি নিবেদন কৰিছে।

৩। পি এম সেতু আঁচনিয়ে আজি এবছৰ সম্পূর্ণ কৰিলে।

৪। দুসপ্তাহতকৈ অধিক সময়জোৰা ৰোমাঞ্চকৰ প্রতিদ্বন্দ্বিতাৰ অন্তত আজি জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ সামৰণি পৰিব। **আৰু**

৫। ভাৰতে ২১টা সোণ, ২৭টা ৰূপ আৰু ৩৭টা ব্রঞ্জ সহ মুঠ ৮৫টা পদকেৰে এছিয়ান গেমছৰ তালিকাত চতুর্থ স্থান দখল কৰিছে।

ooooooo

উপ-ৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণে বিকশিত ভাৰতৰ যাত্রা ভাৰতীয় প্রতিষ্ঠান, ক্ষুদ্র, লঘু আৰু মজলীয়া উদ্যোগ তথা ষ্টার্টআপৰ শক্তিৰে নির্মাণ কৰা হ'ব বুলি প্রকাশ কৰে। নতুন দিল্লীত আজি ভাৰতৰ কোম্পানী সচিবসমূহৰ প্রতিষ্ঠান- আই চি এছ আইৰ ৫৮ সংখ্যক প্রতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ শ্রীৰাধাকৃষ্ণণে এইদৰে কয়। তেওঁ উল্লেখ কৰে যে বিনিয়োগকাৰীসকলৰ আস্থা আৰু আত্মবিশ্বাস লাভৰ অবিহনে ৰাষ্ট্রৰ প্রগতি সম্ভৱ নহয়। ভাৰতক বিশ্বৰ দ্রুত বিকশিত অর্থনীতিৰ অন্যতম বুলি উল্লেখ কৰি শ্রীৰাধাকৃষ্ণণে কয়, যে দেশে একে সময়তে দ্রুত প্রযুক্তিগত বিকাশৰ যুগত প্রৱেশ কৰিছে। এখন শক্তিশালী আত্মনির্ভৰ ভাৰত নির্মাণত আই চি এছ আইৰ সমূহীয়া প্রচেষ্টাই দেশক বিশ্বৰ সর্ববৃহৎ অর্থনীতি হিচাপে গঢ়ি তুলিব বুলি তেওঁ আশা ব্যক্ত কৰে।

oooooooo

স্বাধীনতা সংগ্রামী শ্যামজী কৃষ্ণ বার্মাৰ জন্মবার্ষিকী উপলক্ষে উপৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণ আৰু প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে তেওঁৰ প্রতি শ্রদ্ধাঞ্জলি নিবেদন কৰিছে। সামাজিক মাধ্যমযোগে প্রচাৰ কৰা এটা বার্তাত উপ ৰাষ্ট্রপতিগৰাকীয়ে কয় যে দেশৰ স্বতন্ত্রতাৰ বাবে স্বাধীনতা সংগ্রামীগৰাকীৰ অবিচল দায়বদ্ধতা, অদম্য সাহস আৰু দেশৰ বাহিৰত বসবাস কৰা ভাৰতীয় লোকসকলৰ মাজত বৈপ্লৱিক ৰাষ্ট্রীয়তাবাদৰ জন্ম দিয়া তথা এই মনোভাৱক অনুপ্রাণিত কৰাৰ ক্ষেত্রত তেওঁ গ্রহণ কৰা পথ প্রদর্শকৰ ভূমিকা স্বাধীনতা আন্দোলনৰ ইতিহাসৰ অন্যতম গুৰুত্বপূর্ণ অংশ হৈ ৰ'ব। স্বাধীনতা সংগ্রামৰ যুজাৰুগৰাকীৰ জীৱন আৰু ত্যাগে দেশৰ ভৱিষ্যত প্রজন্মক সাহস, সমর্পিত মনোভাৱ আৰু নিষ্ঠাৰে দেশ সেৱা কৰিবলৈ উদ্বুদ্ধ কৰি থাকিব বুলিও তেওঁ মত প্রকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে শ্যামজী কৃষ্ণ বাৰ্মাই তেওঁৰ সমগ্ৰ জীৱন দেশৰ স্বাধীনতাৰ প্ৰতি উৎসৰ্গা কৰিছিল। তেওঁৰ অদম্য সাহস আৰু মাতৃভূমিৰ সন্মানক সুৰক্ষিত কৰাৰ প্ৰতি থকা সেৱাৰ মনোভাৱক দেশবাসীয়ে চিৰদিন স্মৰণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

0000000

স্বাধীনতা সংগ্ৰামী ত্যাগী তিৰুপ্পুৰ কুমাৰণৰ জন্ম বাৰ্ষিকী উপলক্ষে উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে এটা সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা কুমাৰণ নিচেই কম বয়সতে দেশৰ স্বাধীনতা সংগ্ৰামৰ সৈতে জড়িত হৈ পৰিছিল। তেওঁৰ নায়কোচিত ভূমিকা আৰু ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বিদেশী শাসনৰ বিৰুদ্ধে কুমাৰণৰ সাহসী প্ৰতিৰোধমূলক ভূমিকা আৰু মাতৃভূমিৰ প্ৰতি থকা তেওঁৰ গভীৰ প্ৰেম দেশৰ ইতিহাসত চিৰদিনলৈ অমৰ হৈ ৰ'ব। প্ৰাণ ত্যাগ কৰা সময়তো ৰাষ্ট্ৰীয় পতাকাৰ মৰ্যদা অক্ষুন্ন ৰখাৰ হকে প্ৰদৰ্শন কৰা নিষ্ঠা আৰু দায়বদ্ধতাই দেশৰ ভৱিষ্যত প্ৰজন্মক দেশপ্ৰেম আৰু ৰাষ্ট্ৰৰ প্ৰতি সেৱাৰ মনোভাৱেৰে অনুপ্ৰাণিত কৰি থাকিব বুলি তেওঁ মত প্ৰকাশ কৰে।

0000000

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণে ছহিদ সুব্ৰমনিয় শিৱাৰ জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে স্বাধীনতা সংগ্ৰামৰ প্ৰতি সুব্ৰমনিয় শিৱাই বন্দে মাতৰম ধ্বনিৰে জনোৱা আহ্বান তামিলনাডুৰ চুকে কোণে বিয়পি পৰি ৰাজ্যখনৰ জনসাধাৰণৰ মনত এই সংগ্ৰামৰ মনোভাৱ জগাই তুলিছিল। উদাত্ত ভাষণ আৰু বলিষ্ঠ লিখনিৰ জৰিয়তে এইগৰাকী স্বাধীনতা সংগ্ৰামীয়ে বিদেশী শাসনৰ বিৰুদ্ধে জনসাধাৰণক জাগ্ৰত কৰি তুলিছিল বুলিও তেওঁ মত প্ৰকাশ কৰে। তেঁও লগতে কয় যে কাৰাবন্দী অৱস্থাত থাকিও আৰু অসুস্থতাৰ মাজতো দেশৰ স্বাধীনতাৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা কৰা এইগৰাকী সংগ্ৰামীৰ জীৱন আৰু কৰ্মই দেশৰ জনসাধাৰণক চিৰদিনলৈ উদ্বুদ্ধ কৰিব।

0000000

উন্নত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে দক্ষতা আৰু নিয়োগৰ যোগ্যতা পৰিৱৰ্তনৰ উদ্দেশ্যে ৰূপায়ণ কৰা পি এম সেতু আঁচনিয়ে আজি এবছৰ সম্পূৰ্ণ কৰিলে। দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ অধীনত বিগত বৰ্ষৰ আজিৰ দিনটোতে এই আঁচনিখন ৰূপায়ণ কৰা হৈছিল। এই পদক্ষেপৰ জৰিয়তে বৰ্ধিত কৰ্মশক্তিৰ প্ৰয়োজনীয়তাৰ লগতে উদ্যোগখণ্ডৰ নেতৃত্বত পৰিচালিত শাসন ব্যৱস্থা শক্তিশালী কৰা, প্ৰশিক্ষণ আন্তঃগাঁথনি উন্নীত কৰা আৰু চাহিদা থকা পাঠ্যক্ৰমসমূহৰ প্ৰসাৰত গুৰুত্ব দিয়া হৈছে। এই আঁচনিৰ জৰিয়তে ঔদ্যোগক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক আধুনিক আৰু উদ্যোগৰ সৈতে জড়িত প্ৰশিক্ষণ প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত কৰি বৃত্তিমূলক প্ৰশিক্ষণৰ মান আৰু প্ৰাসংগিকতা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আছে।

সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে।

এই অভিযানৰ সৈতে সংগতি ৰাখি প্ৰচাৰ কৰা এলানি প্ৰতিবেদনৰ অংশ হিচাপে আজি আমি অসমৰ গুৱাহাটীস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ উন্নীতকৰণৰ বিষয়ে এখন প্ৰতিবেদন আগবঢ়াইছো। বিমান বন্দৰটোৰ উন্নীতকৰণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলে সম্প্ৰতি বিশ্বৰ অন্যতম দুৱাৰমুখ হিচাপে স্থান লাভ কৰিছে।

(প্ৰতিবেদন)

উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক নৱজাগৰণৰ সূচনা কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ এটা আঞ্চলিক পৰিবহন কেন্দ্ৰৰ পৰা উন্নীত হৈ সম্প্ৰতি বিশ্বৰ আগশাৰীৰ দুৱাৰমুখত পৰিণত হৈছে।

কেন্দ্ৰীয় চৰকাৰৰ পূবলৈ চোৱা নীতিৰ অধীনত ন-কৈ কাৰ্যক্ষম হৈ উঠা প্ৰকৃতিৰ দ্বাৰা অনুপ্ৰাণিত দ্বিতীয়টো আগমন-প্ৰস্থান পথৰ বৃহৎ সম্প্ৰসাৰণ এই উন্নীতকৰণৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। বিগত বৰ্ষৰ ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰা আৰু চলিত বৰ্ষৰ ২২ ফেব্ৰুৱাৰীত কাম-কাজ আৰম্ভ হোৱা এই অত্যাধুনিক সুবিধা সম্পন্ন বিমান বন্দৰটোৱে ৰাজ্যখনৰ উন্নয়নক নতুন মাত্ৰা প্ৰদান কৰিলে। এই নতুন টাৰ্মিনেলটোৰ বছৰি এক কোটি ৩০ লাখ বিমান যাত্ৰীৰ পৰিবহনৰ ক্ষমতা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই টাৰ্মিনেলটো উদ্বোধন কৰি এনেধৰণৰ আন্তঃগাঁথনিয়ে যুৱ সমাজৰ বাবে নতুন নতুন সুযোগৰ সৃষ্টি কৰে বুলি মত প্ৰকাশ কৰিছিল।

বাইট-মোদী

দক্ষিণ-পূব এছিয়াৰ মধ্যস্থলত অৱস্থিত এই বিমান বন্দৰটো বেংকক, পাৰো আৰু ছিংগাপুৰৰ লেখীয়া গুৰুত্বপূৰ্ণ লক্ষ্যস্থানসমূহলৈ যাত্ৰা কৰাৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় আকাশী পথ হিচাপে বিবেচিত হৈ অসমক দেশৰ পূব অঞ্চলৰ অন্যতম প্ৰাণৱন্ত অংশলৈ ৰূপান্তৰ কৰিছে।

০০০০০০০

দুসপ্তাহতকৈ অধিক সময়জোৰা ৰোমাঞ্চকৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত আজি জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ সামৰণি পৰিব। নাগ'য়া চহৰৰ পালোমা মিজোহো ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত সামৰণি অনুষ্ঠান আৰম্ভ হ'ব। ভাৰতে এইবাৰৰ প্ৰতিযোগিতাত সুন্দৰ প্ৰদৰ্শনেৰে ২১টা সোণ, ২৭টা ৰূপ আৰু ৩৭টা ব্ৰঞ্জ সহ মুঠ ৮৫টা পদকেৰে প্ৰতিযোগিতাৰ তালিকাত চতুৰ্থ স্থান দখল কৰিছে। সামৰণি অনুষ্ঠানত শ্যুটাৰ নিৰু ধান্দাই ভাৰতৰ মহিলা দলৰ ধবজা বহন কৰিব। খেলুৱৈসকলৰ কুচ-কাৱাজ আৰু ২০৩০ চনত হ'বলগীয়া দোহা এছিয়ান গেমছৰ আয়োজক সমিতিক শিখা হস্তান্তৰকে ধৰি পৰম্পৰাগত প্ৰক্ৰিয়াৰে সামৰণিৰ আনুষ্ঠানিকতা সম্পন্ন হ'ব।

০০০০০০০

এছিয়ান গেমছত সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱা ভাৰতীয় বক্সিং দলটো আজি নতুন দিল্লীত উপস্থিত হয়। নতুন দিল্লীত উপস্থিত হোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এইবাৰৰ এছিয়ান গেমছৰ মহিলাৰ

৭৫ কিলোগ্ৰমা ওজন শাখাত সোণৰ পদক অৰ্জন কৰা বক্সাৰ লাভলীনা বৰগোহাঁয়ে কয়, যে জন্ম দিনটোতে সোণৰ পদক লাভ কৰাৰ ফলত এই সাফল্য বিশেষ তাৎপৰ্যপূৰ্ণ হৈ উঠিছে।

**(বাইট ঃ লাভলিনা)**

এইবাৰৰ প্ৰতিযোগিতাত পুৰুষৰ ৮০ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই অনা অংকুশ পংঘালেও তেওঁৰ সাফল্যক লৈ আনন্দ প্ৰকাশ কৰে। তেওঁ এতিয়া অলিম্পিকত গুৰুত্ব আৰোপ কৰিব বুলি প্ৰকাশ কৰে।

**(বাইট ঃ অংকুশ)**

ইপিনে জাপান এছিয়ান গেমছৰ মহিলাৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক লাভ কৰি ইতিহাস ৰচনা কৰা প্ৰবীন হুদাই  দলৰ সাফল্য সমূহীয়া পৰিশ্ৰম আৰু শক্তিশালী প্ৰতিষ্ঠানগত সমৰ্থনৰ  সুফল বুলি অভিহিত কৰে। খেলুৱৈগৰাকীয়ে কৃতজ্ঞতা প্ৰকাশ কৰি তেওঁ এথলিটসকলৰ অক্লান্ত পৰিশ্ৰম, প্ৰশিক্ষক দলৰ কৌশলগত নিৰ্দেশনা আৰু ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ নিৰন্তৰ সহায়-সহযোগিতাক এই সাফল্যৰ কৃতিত্ব প্ৰদান কৰে।

০০০০০০০

সমাপ্ত